# REGIONAL NEWS UNIT

# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-12-2025
**Time :** 1100 Hrs.

## *Assamese Morning Bulletin*

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাৰ ভাগতে গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰে। শিক্ষাৰ্থীসকলে সোধা বিভিন্ন প্ৰশ্নৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে উত্তৰ দিয়ে। পৰীক্ষাৰ সময়ত সৃষ্টি হোৱা মানসিক চাপ নিয়ন্ত্ৰণৰ বাবে শ্ৰীমোদীয়ে তেওঁলোকক পৰামৰ্শ দিয়ে। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰে।

এই কাৰ্যসূচী সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা-

*-বাইট-*

প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীৰ কাৰ্যসূচী সামৰি নামৰূপলৈ ৰাওণা হৈছে। তেওঁ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। বিশ্বমানৰ এই প্ৰকল্পৰ উৎপাদন ক্ষমতা বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন আৰু ইয়াৰ পৰা প্ৰতিদিনে দুহেজাৰ ২০০ মেট্ৰিকটন এমনিয়া আৰু তিনি হাজাৰ ৮৫০ মেট্ৰিকটন ইউৰিয়া উৎপাদনৰ লক্ষ্য লোৱা হৈছে। ১০ হাজাৰ ৬০০ কোটি টকা ব্যয়ৰে ২০৩০ চনৰ ভিতৰত কাৰ্যক্ষম হ'বলগীয়া এই প্ৰকল্পই ৰাজ্যখনক ঔদ্যোগীক দিশত যথেষ্ট লাভান্বিত কৰিব বুলি আশা কৰা হৈছে। এই প্ৰকল্পত অইল ইণ্ডিয়া লিমিটেডৰ পৰা প্ৰাকৃতিক গেছৰ যোগান ধৰাৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কৃষিজাত সামগ্ৰীৰ মূল বজাৰসমূহ শক্তিশালী কৰি তোলা হ'ব। ইউৰিয়া প্ৰকল্প ৰূপায়ণৰ ফলত ভাৰতৰ ইউৰিয়া আমদানি হ্ৰাস পোৱাৰ লগতে অসম আৰু উত্তৰ-পূবৰ ইউৰিয়াৰ প্ৰয়োজন পূৰণ হ'ব। এই প্ৰকল্পৰ আশেপাশে অৰ্থনৈতিক কাম-কাজ বৃদ্ধি হোৱাৰ ফলত তিনি শতাধিক প্ৰত্যক্ষ আৰু সহস্ৰাধিক পৰোক্ষ নিয়োগ সৃষ্টি হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশ ল'বলগীয়া এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ কেইবাগৰাকী মন্ত্ৰী, বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চৰচ মেলা আজিৰে পৰা ৩০ ডিচেম্বৰলৈ তিনিচুকীয়া জিলাত অনুষ্ঠিত হৈছে। চৰচ মেলাত দেশৰ বিভিন্ন ৰাজ্যৰ হস্তশিল্প, মৃৎ শিল্প, কাঠ শিল্প সামগ্ৰীকে ধৰি খাদী, টেৰাকোটা সামগ্ৰীৰ ২৫ খন বিশেষ বিপণী থাকিব। তদুপৰি অসমৰ মুগা শিল্প, জি আই টেগযুক্ত পানীমেটেকাৰ সামগ্ৰী, বাঁহ-বেতৰ সামগ্ৰী, মুখাশিল্প, থলুৱা খাদ্য আৰু অন্যান্য হস্তনিৰ্মিত সামগ্ৰীৰ বিপণী থাকিব। মেলাৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্য আৰু ৰন্ধন প্ৰতিযোগিতা, সংগীত, নৃত্য-চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি  ৫ মিনিটত দক্ষিণ শালমৰা মানকাচৰ জিলাৰ বিভিন্ন উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত জিলাখনৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎগ্ৰহণ কৰিব আমাৰ দক্ষিণ শালমৰা মানকাচৰ জিলাৰ সংবাদদাতা জেচমিনাৰা পাৰবিনে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

দক্ষিণ শালমৰা-মানকাচৰ জিলাৰ সদৰস্থিত খাৰুৱাবন্ধা আৰক্ষীয়ে যোৱানিশা ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলত নিচাজাতীয় দ্ৰব্য বিৰোধী অভিযান চলাই এহেজাৰ ৩১৫টা নিচাজাতীয় টেবলেটসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত অঞ্চলটোত নিচাজাতীয় দ্ৰব্য বিৰোধী অভিযান চলাই শ্বাজীব আহমেদ নামৰ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। আজি দুপৰীয়াৰ ভাগত নিচাজাতীয় দ্ৰব্য সৰবৰাহকাৰী শ্বাজীবক কাটশিঙিমাৰী জিলা আদালতত হাজিৰ কৰোৱা হ'ব।

০০০০০০

লখিমপুৰ নগৰৰ পৰা কুকুৰ নিখোজ হোৱাৰ ঘটনা সন্দৰ্ভত উত্তৰ লখিমপুৰ সদৰ থানাত চাৰিগৰাকী পশু প্ৰেমীয়ে এজাহাৰ দাখিল কৰাৰ লগতে সাংবাদিক প্ৰিয়মজ্যোতি ফুকনে অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে লখিমপুৰৰ খেলমাটি, কলেজ চাৰিআলি, কৰ্ট তিনিআলি, চি ডি ৰোড আদিকে ধৰি বিভিন্ন অঞ্চলৰ পৰা শতাধিক কুকুৰ নিখোজ হৈছে। জিলাখনৰ পৰা এই কুকুৰ নিখোজৰ ঘটনা সন্দৰ্ভত আশ্চৰ্য প্ৰকাশ কৰি মন্ত্ৰী পালে জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতিক এই সন্দৰ্ভত তদন্ত কৰাৰ নিৰ্দেশ দিয়ে।

০০০০০০০০

**সমাপ্ত**